# অসম বিধান সভা
## তৰা বিহীন প্ৰশ্ন নং: ৪৮৩
## উত্তৰ দিয়াৰ তাৰিখঃ ২৩-০৭-২০২৬

বিষয়ঃ শিক্ষক সম্পৰ্কে।
বিধায়কৰ নামঃ ডঃ জয় প্ৰকাশ দাস।

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) লখিমপুৰ জিলাৰ হাইস্কুলত কিমান জন ভাৰপ্ৰাপ্ত আৰু কিমান জন নিয়মীয়া প্ৰধান শিক্ষক/অধ্যক্ষ আছে? জনাব।

(খ) যদি ভৰপ্ৰাপ্ত প্ৰধান শিক্ষক/অধ্যক্ষ আছে, তেন্তে তেখেতলোকক কেতিয়া নিয়মীয়া কৰিব জনাব। যদি নাই, এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) মধ্যাহ্ন ভোজন কৰ্মী সহায়িকা সকলৰ মাহিলী মাননী কিমান? এই মাননী বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে জনাব।

**উত্তৰঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) লখিমপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ পৰা পোৱা তথ্য অনুসৰি লখিমপুৰ জিলাৰ হাইস্কুলসমূহত ১৮৯ জন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু ২৩ জন নিয়মীয়া প্ৰধান শিক্ষক আছে। ইয়াৰোপৰি, লখিমপুৰ জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত ৭০ জন ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু ৯ জন নিয়মীয়া অধ্যক্ষ আছে।

(খ) সেৱাবিধি অনুসৰি নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে নিয়মীয়া প্ৰধান শিক্ষক/অধ্যক্ষ নিযুক্তি দিয়া হয়। ইতিমধ্যে নিয়মীয়া প্ৰধান শিক্ষক/অধ্যক্ষ নিযুক্তি প্ৰক্ৰিয়া চলি আছে।

(গ) PM POSHAN আঁচনিৰ অধীনত ৰন্ধন কৰ্মী সকলে বছৰত ১০ মাহৰ বাবে মাহে মুঠ ২,০০০/-হাৰত মাননি লাভ কৰে, য'ত ভাৰত চৰকাৰৰ অনুমোদিত মাহিলী মাননি ১,০০০/- আৰু অসম চৰকাৰৰ অনুমোদিত অতিৰিক্ত মাহিলী মাননি ১,০০০/- অন্তৰ্ভুক্ত।

অসম চৰকাৰে অক্টোবৰ, ২০২৫ৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰন্ধন কৰ্মী সকলক প্ৰদান কৰা অতিৰিক্ত মাহিলী মাননিৰ হাৰ ৫০০/-ৰ পৰা বৃদ্ধি কৰি ১,০০০/- কৰিছে। ইয়াৰ উপৰিও, অসম চৰকাৰে পত্ৰ নং ECF No. ৪৭৪৫২১/১৪৭৪০২৮, তাৰিখ ১৫ নৱেম্বৰ, ২০২৫ যোগে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়লৈ ভাৰত চৰকাৰৰ অনুমোদিত মাহিলী মাননি ১,০০০/-ৰ পৰা ১,৫০০/-লৈ বৃদ্ধি কৰাৰ বাবে এক প্ৰস্তাৱ প্ৰেৰণ কৰিছে। উক্ত প্ৰস্তাৱ বৰ্তমান ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

--উপৰোক্ত প্ৰশ্নোত্তৰ **National e-Vidhan Application (NeVA)** পৰ্টেলত উপলব্ধ কৰা হৈছে। --